# 2023

## ASSAMESE

## ( Regular Elective )

Paper : ASM–RE–6016/6026

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

Paper : ASM–RE–6016

**( ছন্দ আৰু অলংকাৰ )**

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) ঐ আৰু ঔ কেইমাত্ৰাৰ স্বৰ ?

(খ) যতিৰ অন্য নাম কি ?

(গ) সংস্কৃত কোনটো শব্দৰ পৰা 'অলংকাৰ' শব্দটোৰ উৎপত্তি হৈছে ?

(ঘ) 'কাব্যং গ্ৰাহ্যম্‌লংকাৰাৎ' বুলি কোনে কৈছিল ?

(ঙ) কাব্যত অলংকাৰৰ প্ৰধান প্ৰয়োজন কি ?

(চ) অনুপ্ৰাস কোন শ্ৰেণীৰ অলংকাৰ ?

(ছ) পুৰণি সাহিত্যত যুদ্ধৰ বৰ্ণনাত ব্যৱহাৰ কৰা ছন্দটোৰ নাম কি ?

(জ) পদছন্দৰ অন্য নাম কি ?

(ঝ) লেছাৰী ছন্দৰ এটি বৈশিষ্ট্য লিখা ।

(ঞ) আটাইতকৈ কম অক্ষৰযুক্ত ছন্দটিৰ নাম লিখা ।

২ । চমু উত্তৰ লিখা : ২×৫=১০

(ক) 'প্ৰশ্ন' শব্দটোৰ অক্ষৰ নিৰ্ণয় কৰা ।

(খ) বক্ৰোক্তি কাক বোলে ?

(গ) 'গুণমালা' পুথিখনৰ ৰচক কোন ? ইয়াত কি ছন্দ ব্যৱহাৰ কৰা হৈছে ?

(ঘ) অনুপ্ৰাস অলংকাৰৰ সূত্ৰটো লিখা ।

(ঙ) উৎপ্ৰেক্ষা অলংকাৰৰ প্ৰকাৰ দুটা লিখা ।

৩ । সংজ্ঞা লিখি উদাহৰণসহ বিশ্লেষণ কৰা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) মিত্ৰাক্ষৰ ছন্দ

(খ) অক্ষৰ





(গ) শ্লেষ

(ঘ) ছবি

(ঙ) উপমা

(চ) ভ্ৰান্তিমান অলংকাৰ

৪ । (ক) ছন্দ বুলিলে কি বুজা ? ছন্দ প্ৰধানতঃ কেইপ্ৰকাৰৰ আৰু কি কি ? প্ৰতিটো বিভাগৰ বিষয়ে বিতংভাৱে বুজাই লিখা । ২+২+৬=১০

*অথবা*

(খ) মুক্তক ছন্দৰ স্বৰূপ আৰু বৈশিষ্ট্য সম্পৰ্কে যথাযথ উদাহৰণ দি বুজাই লিখা । ১০

৫ । (ক) পদছন্দ কাক বোলে ? অসমীয়া প্ৰাচীন আৰু আধুনিক কবিতাত ইয়াৰ প্ৰয়োগ কিদৰে হৈছে, আলোচনা কৰা । ২+৪+৪=১০

*অথবা*

(খ) উদাহৰণসহ পদ, দুলড়ী আৰু একাৱলী ছন্দৰ এটি তুলনামূলক আলোচনা যুগুত কৰা । ১০

৬ । (ক) অলংকাৰ বুলিলে কি বুজা ? কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে বহলাই লিখা । ২+৮=১০

*অথবা*

(খ) অলংকাৰৰ শ্ৰেণীবিভাজন দেখুৱাই এটি আলোচনা যুগুত কৰা ১০

৭। (ক) অনুপ্ৰাস অলংকাৰৰ প্ৰকাৰভেদ সম্পৰ্কে ফঁহিয়াই দেখুওৱা। ১০

অথবা

(খ) ৰূপক অলংকাৰৰ সংজ্ঞা আৰু প্ৰকাৰভেদ সম্পৰ্কে উদাহৰণসহ লিখা। ২+৮=১০





Paper : ASM–RE–6026

( অভিযোজনা )

১। অতি চমুকৈ উত্তৰ লিখা : ১×১০=১০

(ক) অভিযোজনা অনুবাদৰ এটা প্ৰকাৰ হয়নে?

(খ) কোনজন জাৰ্মান পণ্ডিতে প্ৰথম কালিদাসৰ সংস্কৃত নাটকৰ অনুবাদ কৰিছিল?

(গ) একে ঠালৰ মাজতে কৰা অসমীয়া গল্প এটাৰ অভিযোজিত পাঠৰ নাম লিখা।

(ঘ) পৃথক ঠালৰ মাজত কৰা অসমীয়া উপন্যাস এখনৰ অভিযোজিত পাঠৰ নাম লিখা।

(ঙ) বিশ্বসাহিত্যৰ যি কোনো গ্ৰন্থ এখনৰ অভিযোজিত পাঠ এটিৰ নাম লিখা।

(চ) 'অগ্নিস্নান' চিনেমাখন কোনখন অসমীয়া উপন্যাসৰ অভিযোজনা?

(ছ) *Adventures of Huckleberry Finn*ৰ এটা চৰিত্ৰৰ নাম লিখা।

(জ) মাৰ্ক টোৱেইন কোন দেশৰ?

(ঝ) সাধুকথাৰ অভিযোজনাৰ এটা উদাহৰণ দিয়া।

(ঞ) মামনি ৰয়ছম গোস্বামীৰ যি কোনো এখন উপন্যাসৰ অভিযোজিত পাঠৰ নাম লিখা।

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) *My Experiments with Truth* কাৰ ৰচনা? গ্ৰন্থখনৰ অসমীয়া ভাঙনিটোৰ নাম কি?

(খ) মাৰ্ক টোৱেইনৰ দুখন গ্ৰন্থৰ নাম লিখা।

(গ) মহাভাৰতৰ যি কোনো দুটা অসমীয়া অভিযোজনাৰ নাম লিখা।

(ঘ) *Adventures of Huckleberry Finn* গ্ৰন্থখনত উল্লেখ থকা দুখন ঠাইৰ নাম লিখা।

(ঙ) 'গঙা চিলনীৰ পাখি' চিনেমাখনৰ পৰিচালক আৰু প্ৰযোজকৰ নাম লিখা।

৩। চমুকৈ উত্তৰ লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অভিযোজনা কি? অভিযোজনাৰ বিষয়ে আলোচনা কৰা।

(খ) অভিযোজনাত 'অধ্যয়ন'ৰ গুৰুত্ব বিচাৰ কৰা।

(গ) অভিযোজনাৰ বাবে অভিযোজকৰ বিশ্লেষণশক্তিৰ প্ৰয়োজন কিমান?

(ঘ) 'অভিযোজনাই মূল ৰচনাৰ প্ৰচাৰত সহায় কৰে'— আলোচনা কৰা।

(ঙ) অসমীয়া সাহিত্যৰ বৈষ্ণৱ যুগ বা শংকৰী যুগত হোৱা অভিযোজনাৰ এটি চমু আভাস দিয়া।

(চ) 'গঙা চিলনীৰ পাখি' ৰ মূলৰূপ (উপন্যাস) নে অভিযোজিত ৰূপ (চিনেমাখন) কোনখন বেছি আকৰ্ষণীয়, পাঁচটা যুক্তি দিয়া।



*(Continued)*



৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অনুবাদ প্ৰক্ৰিয়াটোৰ বিষয়ে আলোচনা কৰা।

(খ) অনুবাদকৰ প্ৰয়োজনীয় অৰ্হতাবোৰৰ বিষয়ে আলোচনা কৰি এটি নাতিদীৰ্ঘ নিবন্ধ লিখা।

(গ) অনুবাদৰ বিভিন্ন শাখা-প্ৰশাখাবোৰৰ বিষয়ে আলোচনা কৰা।

(ঘ) একে ঠালৰ আৱৰ্ততে কৰা অভিযোজনাৰ সুবিধা-অসুবিধাবোৰ বিশ্লেষণ কৰা।

(ঙ) পৃথক ঠালৰ অভিযোজনাৰ বিষয়ে উদাহৰণসহ এটি নিবন্ধ লিখা।

(চ) 'আধুনিক অসমীয়া সাহিত্যৰ অভিযোজন' শীৰ্ষক এটি প্ৰবন্ধ লিখা।

(ছ) তুলনামূলক সাহিত্য অধ্যয়ন পদ্ধতিয়ে অভিযোজনা কৰাত কিদৰে সহায় কৰে, উদাহৰণসহ আলোচনা কৰা।

(জ) মূল পাঠৰ সৈতে যি কোনো এটি অভিযোজনাৰ তুলনা কৰা।

★★★